# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-Aug-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ইতিহাস, ভাষা, কলা, সংগীত, সাজ-পাৰ, খাদ্যাভাষ আৰু প্ৰাকৃতিক সৌন্দৰ্যই এই খণ্ডক বিশ্বৰ ভিতৰতে অনন্য কৰি তুলিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰি দিয়া ভাষণত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বৰ ভিতৰতে পুৰাতন পূৰ্বোত্তৰৰ সংস্কৃতি বিচিত্ৰতাৰে ভৰপুৰ। মহাৰাজ পৃথুৰ পৰা আৰম্ভ কৰি লাচিত বৰফুকনলৈকে, বীৰ চিলাৰায়ৰ পৰা আৰম্ভ কৰি সেনা বাহিনীত যোগ দিয়া জোৱানলৈকে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া উত্তৰ-পূবৰ বীৰ পুৰুষসকলৰ ত্যাগে দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে আজিৰ এই উদ্বোধনী অনুষ্ঠান ৰাজ্যখনৰ বাবে শ্ৰী গণেশৰ আশীৰ্বাদ হিচাপে পৰিগণিত হৈছে। ভৱিষ্যতৰ অসমৰ সৈতে সংগতি ৰাখি এই ভৱনটো নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশৰ মাজত নতুনকৈ নিৰ্মাণ কৰা ৰাজভৱনৰ বাবে ৰাজ্য চৰকাৰৰ ভূয়সী প্ৰশংসা কৰে।

ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰে। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আগ্ৰহ মৰ্মে দেশৰ দ্বিতীয়টো ফৰেণচিক গৱেষণাগাৰ অসমত স্থাপন হোৱাটো অতি গৌৰৱৰ বিষয়। শ্ৰী শ্বাহে কয়, যে দেশৰ জনসাধাৰণৰ বাবে চাইবাৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে ২০১৯ চনত দিল্লীত দেশৰ প্ৰথমটো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেন্সিক গৱেষণাগাৰ স্থাপন কৰা হৈছিল। উল্লেখযোগ্য যে, ৪৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ফৰেণচিক গৱেষণাগাৰৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত সীমান্ত সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ পৃথক আবাসীক পৰিষৰ আৰু আই টি বি পিৰ সোণাপুৰত থকা ৩৩ সংখ্যক বেটেলিয়নৰ ৩৬০ গৰাকী জোৱানৰ বেৰেক বিষয়াসকলৰ মেচ আৰু ১০ খন বিচনাযুক্ত চিকিৎসালয় ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। তেওঁ লগতে শ্ৰীকোনাত আছাম ৰাইফলৰ মহাপৰিদৰ্শকৰ মুখ্য কাৰ্যালয়, শিলচৰৰ খনিজ গোট আৰু যোৰহাটৰ আঞ্চলিক মুখ্য কাৰ্যালয়ত প্ৰশাসনিক আৰু আবাসীক চৌহদৰ আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছতে শ্ৰী শ্বাহে খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লয়। শ্ৰী শ্বাহে ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰৰ পৰা অহা হাজাৰ হাজাৰ নিৰ্বাচিত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ প্ৰতিনিধিক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। এই সন্মিলনতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১ জানুৱাৰী পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠানত অংশলৈ প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিৰ্বেদন কৰে।

০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। অসমতো আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আয়োজন কৰা হৈছে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপনৰ দিহা কৰি হৈছে। আজি পুৱা শুৱালকুছিত এটা সমুহীয়া খোজকঢ়া কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। কামৰূপ জিলা সংস্থাৰ কাৰ্যকৰী সভাপতি ড০ কাৰ্তিক মেধিয়ে মুকলি কৰা এই সমদলটো শুৱালকুছি বস্ত্ৰ উদ্যানৰ পৰা শুৱালকুছিৰ বালিচৰলৈ উলিওৱা হয়। সমদলত কামৰূপ জিলাৰ প্ৰশাসনিক বিষয়া ৰাজেশ ঠাকুৰেও ভাগ লয়।

দৰং জিলাত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে আজি পুৱা মঙলদৈস্থিত কলেজিয়েট হাইস্কুল প্ৰাংগণত আয়োজিত উদ্বোধনী অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ লগতে বহু বিশিষ্ট লোক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত বিভিন্ন পৰম্পৰাগত খেলৰ লগতে ডবা, কাবাডী, ফুটবল,  আৰু প্ৰবীন খেলুৱৈৰ মাজত ভলীবল খেলো অনুষ্ঠিত হয়।

গোৱালপাৰা জিলা প্ৰশাসনেও ৩ দিনীয়া কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰিছে। কাৰ্যসূচী অনুসৰি আজি পুৱা জিলাখনৰ বিদ্যালয়সমূহত মেজৰ ধ্যানচন্দৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তদুপৰি কল্যানপুৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত দিনযোৰা কাৰ্যসূচীৰে মহিলাৰ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

বৰপেটা জিলাৰ ৰামৰায় ষ্টেডিয়ামত আয়োজিত ৰাষ্ট্ৰীয় ক্ৰীড়া  দিৱসৰ কাৰ্যসূচীত জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা, সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ লগতে জিলাখনৰ কেইবাগৰাকীও  ক্ৰীড়াবিদ উপস্থিত থাকে।

পাঠশালাস্থিত ভট্টদেৱ বিশ্ববিদ্যালয়তো ৩ দিনীয়াকৈ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ আয়োজন কৰা হৈছে। এই বছৰ ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ মূল বিষয়বস্তু হৈছে – **শান্তিপূৰ্ণ আৰু সৰ্বাত্মক সমাজৰ প্ৰসাৰৰ বাবে খেল-ধেমালি**।

০০০০০

গুৱাহাটী পৌৰ নিগমে চিকুণ গুৱাহাটী, মোৰ গুৱাহাটী বিষয়ক এখন শুভংকৰ আৰু ল'গ' ডিজাইন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সকলোৰে বাবে মুকলি এই প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগীসকলে অহা ৫ চেপ্তেম্বৰলৈকে অংশগ্ৰহণ কৰিব পাৰিব।  সবিশেষ জানিবলৈ আগ্ৰহীসকলে ইভেণ্টছ্ ডট জি এম চি অনলাইন ডট ইনত লগইন কৰিব পাৰে।

০০০০০

সমাপ্ত